# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-05-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন কাইলৈৰ পৰা দিছপুৰত অনুষ্ঠিত হ'ব। অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে কাইলৈ নৱ-নিৰ্বাচিত বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব। বিধায়কসকলৰ জ্যেষ্ঠতাৰ ভিত্তিত শপত গ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। ইয়াৰ পাছতে অধ্যক্ষৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। শাসনাধিষ্ঠিত এন ডি এ মিত্ৰজোঁটৰ হৈ ৰণজিৎ কুমাৰ দাসে আজি অধ্যক্ষ পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে। এন ডি এৰ নেতৃবৰ্গই বিজেপিৰ বিধায়কগৰাকীৰ হৈ বিধানসভাৰ সচিব দুলাল পেগুৰ হাতত মনোনয়ন পত্ৰ দাখিল কৰে। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে'ত অন্ত পৰিব।

ইপিনে বিধানসভা অধিৱেশনৰ পূৰ্বে আজি অসম গণ পৰিষদৰ বিধায়িনী দলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত আসন্ন অধিৱেশনত গ্ৰহণ কৰিবলগীয়া বিভিন্ন ব্যৱস্থা সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয়। ইয়াৰ পূৰ্বে অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাকে ধৰি দলৰ বিধায়কসকলে গুৱাহাটীৰ পশ্চিম বৰাগাঁওস্থিত শ্বহীদ স্মাৰক ক্ষেত্ৰ আৰু উদ্যানত উপস্থিত হৈ অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও জিলাৰ আঁহতগুৰিৰ সংৰক্ষিত চৰকাৰী ভূমি পৰিদৰ্শন কৰাৰ লগতে অঞ্চলটোত ৰূপায়ণ হৈ থকা প্ৰকল্পসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। ড০ শৰ্মাই জাগীৰোড সমষ্টিৰ অন্তৰ্গত বৰগুৰিত বিভিন্ন চৰকাৰী প্ৰতিষ্ঠান স্থাপনৰ বাবে সংৰক্ষিত ৩৩১ বিঘা চৰকাৰী ভূমি পৰিদৰ্শন কৰে। তেওঁ লগতে চিপিৰি-দুৰুলাডুবি ৰাজহ গাঁৱৰ এহেজাৰ ৬৭ বিঘাৰো অধিক ভূমিত প্ৰস্তাৱিত মেগা ঔদ্যোগিক পাৰ্কৰ স্থান পৰিদৰ্শন কৰে। ড০ শৰ্মাই বিভিন্ন চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপনৰ বাবে গুৱাহাটীৰ সমীপৰ এই ভূমিখিনি সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলি সাংবাদিকৰ আগত মন্তব্য কৰে।

### বাইট (চি এম-১)

মুখ্যমন্ত্ৰী শৰ্মাই ইয়াৰ পাছত মৰিগাঁও জিলাৰ জাগীৰোডৰ ঐতিহাসিক গোভা দেওৰজাৰ দেওশাল মন্দিৰত পূজা-অৰ্চনা কৰি ৰাজ্যবাসীৰ মংগলৰ হকে প্ৰাৰ্থনা জনায়। ড০ শৰ্মাই আজি জাগীৰোডৰ টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ লগতে প্ৰকল্পটোৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ ইয়াৰ অগ্ৰগতিৰ খতিয়ান লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে সোণাপুৰৰ কমাৰকুছিত থকা জুবিন ক্ষেত্ৰ পৰিদৰ্শন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ড০ শৰ্মাই সাংবাদিকৰ আগত কয়, যে জুবিন ক্ষেত্ৰত সম্প্ৰতি নিৰ্মাণ হৈ থকা ৩ কোটি টকাৰ সীমাৰ দেৱালকে ধৰি নিৰ্মাণকাৰ্যৰ প্ৰাৰম্ভিক পৰ্যায় আৰম্ভ হৈছে আৰু ভূমিস্খলনৰ পৰা ক্ষেত্ৰখন সুৰক্ষাৰ বাবেও ব্যৱস্থা লোৱা হৈছে। সীমাৰ দেৱালৰ কাম সম্পূৰ্ণ হোৱাৰ পাছতে লোকনিৰ্মাণ বিভাগৰ দ্বাৰা নিৰ্মাণ হ'বলগীয়া সমাধিক্ষেত্ৰৰ মূল কামসমূহো পৰ্যায়ক্ৰমে কৰি যোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ০০০০

০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজি পথ সুৰক্ষা সমিতিৰ মাহেকীয়া পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। যোৰহাট জিলাত জিলা আয়ুক্ত জয় শিৰানীৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত বিশেষকৈ ৰাষ্ট্ৰীয় ঘাইপথসমূহত সংঘটিত পথ দুৰ্ঘটনা ৰোধ

কৰাৰ বিষয়ত আলোচনা কৰা হয়। বৈঠকত জিলাখনৰ দুৰ্ঘটনা প্ৰৱন ঠাইসমূহৰ চিনাক্তকৰণ আৰু পথ সুৰক্ষাৰ নিয়মসমূহ কঠোৰভাৱে পালনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

তামুলপুৰ জিলাত পথ সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰাৰ লক্ষ্যৰে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা পথ সুৰক্ষা সমিতিৰ মাহেকীয়া বৈঠক অনুষ্ঠিত হয়। আজিৰ বৈঠকত পূৰ্বে গ্ৰহণ কৰা সিদ্ধান্তসমূহ ৰূপায়নৰ পৰ্যালোচনা কৰাৰ উপৰি দুৰ্ঘটনা প্ৰৱণ এলেকাত প্ৰয়োজনী ব্যৱস্থা গ্ৰহণ, পথচিহ্ন স্থাপন আৰু জনসচেতনতা কাৰ্যসূচী অধিক সক্ৰিয় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। জিলা আয়ুক্ত চিমি কৰণে বিদ্যালয়, মহাবিদ্যালয় তথা জনসাধাৰণৰ মাজত পথ সুৰক্ষা সম্পৰ্কীয় সজাগতা বৃদ্ধি কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক আহ্বান জনায়।

কামৰূপ জিলাতো জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ অধ্যক্ষতাত আজি পথ সুৰক্ষা সমিতিৰ মাহেকীয়া বৈঠক অনুষ্ঠিত হয়। বৈঠকত পূৰ্বৰ সিদ্ধান্ত অনুসৰি গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে পথ সুৰক্ষা আৰু জনসাধাৰণৰ সুবিধা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত বিভিন্ন দিশৰ আলোচনা কৰা হয়। বৈঠকত ৰঙিয়া চহৰৰ যান বাহন সম্পৰ্কীয় কেতবোৰ বিষয়টো গুৰুত্ব আৰোপ কৰা হয়।

০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি ঔষধ ব্যৱসায়ীসকলে ধৰ্মঘট কাৰ্যসূচী পালন কৰে। অৱশ্যে জৰুৰীকালীন ৰোগীৰ বাবে ঠায়ে ঠায়ে ফাৰ্মাচীসমূহ খোলা ৰখা হয়।

ডিব্ৰুগড় জিলাত অনলাইন ব্যৱস্থাৰে ঔষধ যোগান ব্যৱসায় বন্ধৰ দাবীত প্ৰতিবাদ জনোৱাৰ লগতে অনুজ্ঞাপত্ৰ নথকা ফাৰ্মাচীসমূহৰ পঞ্জীয়ন বাতিলৰো দাবী জনোৱা হয়।

শ্ৰীভূমি জিলাত আজি ধৰ্মঘটৰ বাবে অধিকাংশ ঔষধৰ দোকান বন্ধ থাকে। ঔষধ ব্যৱসায়ীসকলে অনলাইন মাধ্যমত ঔষধ বিক্ৰীৰ ফলত স্থানীয় ফাৰ্মাচীসমূহে গুৰুতৰ ক্ষতিৰ সন্মুখীন হোৱা বুলি অভিযোগ তোলে। তেওঁলোকে এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা লবলৈ আৰু ক্ষুদ্ৰ তথা মজলীয়া ব্যৱসায়ীসকলৰ সুৰক্ষা আৰু নিৰাপত্তা নিশ্চিত কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা লবলৈ চৰকাৰৰ প্ৰতি দাবী জনায়। শিৱসাগৰ জিলাতো অল ইণ্ডিয়া অৰ্গেনাইজেচন অৱ কেমিষ্ট এণ্ড ড্ৰাগিষ্ট-এ আহ্বান জনোৱা এই ধৰ্মঘটৰ প্ৰভাৱ পৰিলক্ষিত হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ